**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 12-09-2026
**Time :** 18-45 Hrs

**ASSAMESE EVEN BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। ব্ৰীকচ সন্মিলনৰ আজি প্ৰথম দিনা সৰ্বসন্মতিক্ৰমে দিল্লী ঘোষণা পত্ৰ গ্ৰহণ।

২। ৰাজ্যৰ সত্ৰ, নামঘৰসমূহত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৪৫৮ সংখ্যক তিৰোভাব তিথি পালন।

৩। নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে প্ৰস্তুতি তীব্ৰতৰ। ৰাজীৱ ভৱনত কংগ্ৰেছ দলৰ গুৰুত্বপূৰ্ণ বৈঠক।

৪। মিছিং স্বায়ত্ত শাসিত পৰিষদৰ ৪০ টা সমষ্টিৰ চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ। ***আৰু***

৫। জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাত মহিলাৰ ফাইনেলত কাইলৈ ভাৰত আৰু চীন মুখামুখি।

০০০০

নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত ব্ৰীকচ ৰাষ্ট্ৰগোষ্ঠীৰ অষ্টাদশ সন্মিলনৰ আজি প্ৰথম দিনা সদস্য ৰাষ্ট্ৰসমূহে সৰ্বসন্মতিক্ৰমে দিল্লী ঘোষণা পত্ৰ গ্ৰহণ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰথম দিনা সন্মিলনৰ অন্তিম সত্ৰৰ অন্তত এই ঘোষণা পত্ৰ গ্ৰহণ কৰাৰ প্ৰস্তাৱ দাখিল কৰে। প্ৰধানমন্ত্ৰীয়ে তেওঁৰ সামৰণি মন্তব্যত কয় যে আজি গ্ৰহণ কৰা নতুন দিল্লী ঘোষণা পত্ৰই সদস্য ৰাষ্ট্ৰসমূহৰ উমৈহতীয়া সংকল্পক স্পষ্ট দিশ প্ৰদৰ্শন কৰিব। তেওঁ কয় যে এতিয়া এই প্ৰস্তাৱসমূহক দৃঢ় ফলাফললৈ ৰূপান্তৰিত কৰাটো সদস্য ৰাষ্ট্ৰসমূহৰ উমৈহতীয়া দায়িত্ব।

বাইট-মোদী

শ্ৰীমোদীয়ে কয় যে আজিৰ আলোচনাৰ পৰা পুৰণি প্ৰতিষ্ঠানসমূহে যে পৰিৱৰ্তিত বিশ্বক পৰিচালনা কৰিব নোৱাৰে সেয়া স্পষ্ট হৈ পৰিছে। তেওঁ লগতে প্ৰতিনিধিত্ব, উত্তৰ দায়িত্ব আৰু নিয়ম প্ৰৱৰ্তন ব্যৱস্থাৰ সংস্কাৰ জৰুৰী হৈ পৰা বুলিও মন্তব্য কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে ব্ৰীকচ ৰাষ্ট্ৰগোষ্ঠীৰ অধ্যক্ষ হিচাপে আগবঢ়োৱা গুৰুত্বপূৰ্ণ অৱদান, গঠনমূলক মনোভাৱ আৰু প্ৰতিশ্ৰুতিবদ্ধতাৰ বাবে সদস্য ৰাষ্ট্ৰৰ নেতাসকলৰ শলাগ লয়। ইয়াৰ পূৰ্বে সৰ্বাত্মক গোলকীয় প্ৰশাসন আৰু বহুত্ববাদৰ সুদৃঢ়কৰণ সম্পৰ্কীয় সত্ৰত উদ্বোধনী ভাষণ দি শ্ৰীমোদীয়ে প্ৰতিবছৰে অধ্যক্ষৰ দায়িত্বত থকা ৰাষ্ট্ৰ সলনি হোৱা সত্তেও ৰাষ্ট্ৰগোষ্ঠীটোৰ গতি বৰ্তাই ৰখাৰ বাবে ব্ৰীকচৰ নিৰন্তৰতা আৰু ৰূপায়ণ ব্যৱস্থাৰ প্ৰস্তাৱ দিয়ে। তেওঁ কয় যে ব্ৰীকচ ৰাষ্ট্ৰসমূহে পৰৱৰ্তী ২০ বছৰৰ বাবে নতুন আৰু অভিলাসী কাৰ্যসূচী সন্দৰ্ভত কাম কৰা উচিত। ৰাষ্ট্ৰগোষ্ঠীটোৰ নিজা কাৰ্যব্যৱস্থাৰ জৰিয়তে এই প্ৰক্ৰিয়া আৰম্ভ হোৱা উচিত বুলিও তেওঁ মন্তব্য কৰে। ৰাষ্ট্ৰসংঘৰ নিৰাপত্ত পৰিষদৰ সংস্কাৰ সন্দৰ্ভত মত পোষণ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে এতিয়া আৰু নিৰাপত্তা পৰিষদৰ সংস্কাৰৰ বিষয়টোত বিলম্ব কৰিব পৰা নাযায় আৰু বিষয়টো সন্দৰ্ভত নিৰ্ধাৰিত সময়সীমা আৰু স্পষ্ট ফলাফল ভিত্তিক আলোচনা হোৱা উচিত। বিত্তীয় প্ৰতিষ্ঠানৰ ভোটদান শক্তি, নেতৃত্বৰ পদবী, আৰু নীতিগত অগ্ৰাধিকাৰ সামপ্ৰতিক আৰ্থিক বাস্তৱিকতাৰ অনুৰূপ হোৱা উচিত বুলি তেওঁ মন্তব্য কৰে। ইয়াৰ আগেয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ব্ৰীকচ সদস্য ৰাষ্ট্ৰসমূহৰ নেতৃবৰ্গক আদৰণি জনায়।

০০০০

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আজি ৪৫৮ সংখ্যক তিৰোভাব তিথি উপলক্ষে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে গুৰুজনাৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি ধৰ্মীয় কাৰ্যসূচী অনুষ্ঠিত হৈছে। গুৰুজনাৰ তিথি উপলক্ষে আজি ৰাজ্যৰ নামঘৰ আৰু সত্ৰসমূহত পুৱাৰে পৰা হৰিনামৰ পৱিত্ৰ ধ্বনিৰে মুখৰ হৈ উঠে।

মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ স্থাপিত ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰত যোৱা ৬ ছেপ্টেম্বৰৰ পৰা আয়োজন কৰা গুৰুজনাৰ কীৰ্তন মহোৎসৱৰ আজি মূল সবাহ অনুষ্ঠিত হয়। তিৰোভাব তিথি উপলক্ষে বৰপেটাৰ বৃন্দাবন হাটীৰ ভকতবৃন্দই বিয়লি বৰপেটা সত্ৰত কৰভাৰ প্ৰদান কৰে। এই উপলক্ষে বৃন্দাবন হাটীৰ হাটীয়াৰ ঘৰৰ পৰা ওজাপালি, গায়ন-বায়ন, নাম-কীৰ্তনীয়া দলে

সত্ৰীয়া পৰম্পৰা অনুসৰি শোভাযাত্ৰা কৰি তেল, নিমখ, ঔটেঙা, চাউল, কোমোৰা আদি কৰভাৰ প্ৰদান কৰা হয়। একেদৰে পাটবাউসী থানতো এই তিথি পালন কৰা হৈছে।

গুৰুজনাৰ জন্মস্থান নগাঁৱৰ বটদ্ৰৱা সত্ৰতো আজি তিৰোভাব তিথি পালন কৰা হৈছে। এই উপলক্ষে নাম-কীৰ্তন, প্ৰসংগ আদি অনুষ্ঠিত হৈছে। বট্দ্ৰৱাৰ শ্ৰী শ্ৰী নৰোৱা সত্ৰৰ সত্ৰাধিকাৰ অম্লান জ্যোতি মহন্তই তিৰোভাৱ তিথি পালন সম্পৰ্কে এনেদৰে কয়–

(বাইট-অম্লান জ্যোতি মহন্ত)

মাজুলীতো আজি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাব তিথি উপলক্ষে সত্ৰ-নামঘৰসমূহ সুন্দৰকৈ সজাই-পৰাই তোলা হৈছে। মাজুলীৰ ৩৩ খন সত্ৰ আৰু প্ৰায় তিনি শতাধিক নামঘৰত গুৰুজনাৰ তিথি উপলক্ষে হৰিনাম, কীৰ্তনৰ অমিয়া ধ্বনিৰে আকাশ-বতাহ মুখৰ হৈ পৰিছে।

গোলাঘাটৰ ঐতিহ্য মণ্ডিত শ্ৰীশ্ৰী আঠখেলীয়া নামঘৰতো মহাপুৰুষজনৰ তিৰোভাব তিথি উপলক্ষে অগণন ভক্তৰ আগমন ঘটিছে। বৰাক উপত্যকাটো আজি জগতগুৰু শ্ৰীমন্ত শংকৰদেৱৰ ৪৫৮ সংখ্যক তিৰোভাব তিথি উপলক্ষে ভক্তসকলে ধৰ্মীয় কাৰ্যসূচী অনুষ্ঠিত কৰে। শ্ৰী ভূমি জিলাৰ বৰগোলৰ শ্ৰীমন্ত শংকৰদেৱ নামঘৰত আজি এই উপলক্ষে নাম-প্ৰসংগ আৰু অন্যান কাৰ্যসূচী ৰূপায়ণ কৰা হয়। গুৱাহাটী মহানগৰীৰ নামঘৰসমূহতো আজি গুৰুজনাৰ তিৰোভাব তিথি পালন কৰা হয়।

গোৱালপাৰাৰ বগুৱানৰ শ্ৰীশ্ৰী হাটী সত্ৰ আৰু শ্ৰীশ্ৰী শ্যামৰায় সত্ৰত গুৰুজনাৰ তিৰোভাব তিথি পালন কৰা হয়। বজালী জিলাৰ ভৱানীপুৰ সত্ৰতো মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাব তিথি উপলক্ষে কীৰ্তন মহোৎসৱ অনুষ্ঠিত হৈছে। কামৰূপ জিলাৰ বকোৰ চমৰিয়া সত্ৰ, শুৱালকুছিৰ শ্ৰী ঈশ্বৰ হাতীসত্ৰৰ লগতে প্ৰতিখন সত্ৰ নামঘৰত আধ্যাত্মিক ৰীতি-নীতিৰে তিৰোভাৱ তিথি পালন কৰা হৈছে। হাতী সত্ৰত সাদিনীয়াকৈ এই তিথি পালন কৰা হৈছে। এই উপলক্ষে ভকত আৰু আয়তীসকলে নাম-প্ৰসঙ্গ পৰিৱেশন কৰিছে।

কোচ বিহাৰৰ মধুপুৰ সত্ৰত আজি দিনজোৰা কাৰ্যসূচীৰে মহাপুৰুষজনাৰ তিৰোভাব তিথি পালন কৰা হয়। তিৰোভাব তিথি উপলক্ষে মধুপুৰ সত্ৰত বিয়লি গুৰুজনাৰ স্মৃতি ৰোমন্থন কৰি ধৰ্মালোচনী সভা আৰু নাম-কীৰ্তন কৰা হয়। এই কাৰ্যসূচীত উত্তৰ বংগৰ বিভিন্ন সত্ৰ আৰু নামঘৰৰ সত্ৰাধিকাৰৰ লগতে ভকতে অংশ লয়।

হোজাই আৰু বিশ্বনাথ জিলাৰ বিভিন্ন নামঘৰ, শিক্ষানুষ্ঠানসমহত মহাপুৰুষজনা তিৰোভাৱ তিথি পালন কৰা হয়। গহপুৰৰ কামদেৱাল সত্ৰ পুৱাৰে পৰাই নাম প্ৰসংগৰে মুখৰ হৈ পৰিছে।

০০০০

নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে অধিসূচনা জাৰি কৰাৰ লগে লগে ৰাজনৈতিক দলসমূহ নিৰ্বাচনক লৈ তৎপৰ হৈ পৰিছে। বিজেপিয়ে উপ নিৰ্বাচনৰ বাবে নগাঁৱৰ প্ৰাক্তন জিলা আয়ুক্ত দেৱাশিস শৰ্মাক প্ৰাৰ্থী হিচাপে ঘোষণা কৰিছে। এ আই ইউ ডি এফেও ইতিমধ্যে ৰেজাউল কৰিম চৰকাৰক প্ৰাৰ্থীত্ব প্ৰদান কৰিছে। কংগ্ৰেছে সমষ্টিটোৰ উপ নিৰ্বাচনৰ বাবে প্ৰাৰ্থী বাচনিৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। এই উদ্দেশ্যে আজি গুৱাহাটীত থকা ৰাজীৱ ভৱনত অসমৰ নিৰ্বাচনৰ দায়িত্বত থকা অখিল ভাৰত কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদক ভূপেশ বাঘেলৰ উপস্থিতিত দলৰ জ্যেষ্ঠ নেতাসকলৰ এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শ্ৰীবাঘেলে উপ নিৰ্বাচনৰ বাবে শীঘ্ৰে প্ৰাৰ্থী চূড়ান্ত কৰা হব বুলি জানিবলৈ দিয়ে।

বাইট-বাঘেল

অহা ৬ অক্টোবৰত নগাওঁ লোকসভা সমষ্টিৰ উপ নিৰ্বাচন অনুষ্ঠিত হব। এই নিৰ্বাচনৰ বাবে ইচ্ছুক প্ৰাৰ্থীসকলে অহা ১৬ ছেপ্তেম্বৰ পৰ্যন্ত মনোনয়ন পত্ৰ দাখিল কৰিব পাৰিব। ৯ অক্টোবৰত ভোটগণনা কৰা হ'ব।

০০০০

মিছিং স্বায়ত্ত শাসিত পৰিষদৰ ৪০ টা সমষ্টিৰ চূড়ান্ত ফটোযুক্ত ভোটাৰ তালিকা আজি প্ৰকাশ কৰা হয়। ৰাজ্য চৰকাৰৰ ভৈয়াম জনজাতি পৰিক্ৰমা বিভাগে জাৰি কৰা অধিসূচনাৰ ভিত্তিত মিছিং স্বায়ত্ত শাসিত পৰিষদৰ সমষ্টিসমূহৰ সীমা নিৰ্ধাৰণ কৰাৰ পাছত এই চূড়ান্ত ভোটাৰ তালিকা প্ৰস্তুত কৰা হৈছে। প্ৰকাশ পোৱা চূড়ান্ত ভোটাৰ তালিকা অনুসৰি ৪০ টা সমষ্টিত মুঠ ৬ লাখ ৩৫ হাজাৰ ৬০১ গৰাকী ভোটাৰ আছে। ইয়াৰে ৩ লাখ ১৭ হাজাৰ ৩৪৩ গৰাকী পুৰুষ ভোটাৰ, ৩ লাখ ১৮ হাজাৰ ২৫৬ গৰাকী মহিলা ভোটাৰ আৰু ২ গৰাকী অন্যান্য শ্ৰেণীৰ ভোটাৰ আছে বুলি তালিকাত প্ৰকাশ পাইছে। চূড়ান্ত ভোটাৰ তালিকাত মুঠ

এহেজাৰ ৩৩ টা ভোটগ্ৰহণ কেন্দ্ৰ অন্তৰ্ভুক্ত কৰা হৈছে। সমষ্টি ভিত্তিত এই চূড়ান্ত ভোটাৰ তালিকা সাধাৰণ ৰাইজৰ পৰিদৰ্শনৰ বাবে সংশ্লিষ্ট চক্ৰ বিষয়াৰ কাৰ্যালয় আৰু খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত উপলব্ধ থাকিব। ইয়াৰোপৰি সংশ্লিষ্ট সমষ্টিসমূহৰ অন্তৰ্গত পৌৰসভা, নগৰ উন্নয়ন সমিতি, উপ পঞ্জীয়কৰ কাৰ্যালয়, আৰক্ষী থানা, চাহ বাগান আৰু গাওঁ পঞ্চায়তৰ কাৰ্যালয়তো এই তালিকা উপলব্ধ হ'ব। ভোটাৰসকলে ভাৰতৰ নিৰ্বাচনী আয়োগে আবণ্টন কৰা ই পি আই চি নম্বৰ ব্যৱহাৰ কৰি চূড়ান্ত ভোটাৰ তালিকাত নিজৰ নাম পৰীক্ষা কৰিব পাৰিব। মিছিং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচন সঠিক, স্বচ্ছ আৰু নিকাভাৱে অনুষ্ঠিত কৰিবৰ বাবে ভোটাৰৰ অংশগ্ৰহণ নিশ্চিত আৰু উপলব্ধ সুবিধাসমূহ গ্ৰহণ কৰিবলৈ নিৰ্বাচনী আয়োগে আহ্বান জনাইছে।

০০০০

ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যই দায়িত্বশীল নাগৰিকত্ব, সংবিধানৰ প্ৰতি সন্মান, ৰাষ্ট্ৰৰ একতা আৰু অখণ্ডতাৰ সুৰক্ষা আৰু দেশৰ গণতান্ত্ৰিক প্ৰমূলৰাজিৰ প্ৰতি দৃঢ় সংকল্পবদ্ধতাৰ মাজেৰে দেশপ্ৰেম পৰিস্ফুত হয় বুলি প্ৰকাশ কৰিছে। তেজপুৰ বিশ্ববিদ্যালয়ত ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী-এন চি চিৰ ৰাষ্ট্ৰীয় সুৰক্ষা সজাগতা আৰু এন চি চিৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলনত অংশগ্ৰহণ কৰি ৰাজ্যপালগৰাকীয়ে আজি কয় যে ৰাষ্ট্ৰীয় সুৰক্ষা অকল দেশৰ সীমান্ত সুৰক্ষিত কৰি ৰখাতেই সীমাবদ্ধ নহয়। চাইবাৰ সুৰক্ষা, অৰ্থনৈতিক আৰু শক্তি সুৰক্ষা, দুৰ্যোগ প্ৰশমনৰ প্ৰস্তুতি, সামাজিক সম্ভাৰ আৰু ৰাজহুৱা প্ৰতিষ্ঠানসমূহৰ সুৰক্ষা সাঙুৰি এয়া প্ৰতিগৰাকী নাগৰিকৰ যৌথ দায়িত্ব বুলি শ্ৰীআচাৰ্যই মন্তব্য কৰে। ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী এন চি চি চৰিত্ৰ গঠন আৰু ৰাষ্ট্ৰ গঠনৰ শক্তিশালী আহিলা বুলি অভিহিত কৰি ৰাজ্যপালগৰাকীয়ে কয় যে শিক্ষাৰ্থী বাহিনীৰ সদস্যসকলৰ অনুশাসন, নেতৃত্ব, সাহস আৰু সেৱাৰ মনোভাৱে যুৱ প্ৰজন্মক ৰাষ্ট্ৰৰ প্ৰগতি আৰু সুৰক্ষাৰ ক্ষেত্ৰত অৰ্থবহ অৱদান আগবঢ়াবলৈ অনুপ্ৰাণিত কৰে। তেওঁ লগতে এন চি চিৰ প্ৰাক্তন সদস্যসকলক যুৱ প্ৰজন্মৰ পথ প্ৰদৰ্শকৰ ভূমিকা পালন কৰিবলৈ আৰু সমুহীয়া সেৱা আৰু ৰাজহুৱা সজাগতাৰ বিষয়টোৰ সৈতে সক্ৰিয়ভাৱে জড়িত হৈ থাকিবলৈ আহ্বান জনায়।

(বাইট-ৰাজ্যপাল)

বৰ্তমানৰ ডিজিটেল যুগত সুৰক্ষা, পৰিৱৰ্তিত বৈশিষ্টৰ বিষয়ে উল্লেখ কৰি শ্ৰীআচাৰ্যই যুৱ প্ৰজন্মৰ মাজত প্ৰযুক্তিগত সজাগতা আৰু দায়িত্বশীল ডিজিটেল আচৰণৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰে। সীমামুৰীয়া অঞ্চলসমূহৰ কৌশলগত গুৰুত্বৰ বিষয়ে উল্লেখ কৰি তেওঁ সীমামুৰীয়া গাওঁসমূহক দেশৰ সাৰ্বভৌমত্ব, সংস্কৃতি আৰু ৰাষ্ট্ৰীয় ভাৱনাৰ জাগ্ৰত প্ৰহৰি বুলি অভিহিত কৰে। তেওঁ লগতে যুৱক যুৱতীসকলক সীমামুৰীয়া অঞ্চলৰ সম্প্ৰদায়সমূহৰ সুৰক্ষাৰ হকে কাম কৰিবলৈ আহ্বান জনায়। ৰাষ্ট্ৰীয় সুৰক্ষাৰ ক্ষেত্ৰত বিশ্ববিদ্যালয়সমূহৰ ভূমিকাৰ বিষয়ে উল্লেখ কৰে শ্ৰীআচাৰ্যই তেজপুৰ বিশ্ববিদ্যালয়ৰ দৰে প্ৰতিষ্ঠানসমূহৰ কৃত্ৰিম বুদ্ধিমত্তা, চাইবাৰ সুৰক্ষা, ড্ৰোন প্ৰযুক্তি, যোগাযোগ, মহাকাশ প্ৰযুক্তি আৰু দুৰ্যোগ ব্যৱস্থাপনাকে ধৰি ন-ন ক্ষেত্ৰসমূহত গৱেষণা আৰু উদ্ভাৱনৰ প্ৰসাৰৰ হকে প্ৰয়াস কৰিবলৈ আহ্বান জনায়।

০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত আজি নিশা ৮ বাজি ২ মিনিটত 'জুবিন গাৰ্গৰ গানৰ সাংগীতিক বৈশিষ্ট্য আৰু বিবিধতা' বিষয়ক এটি আলোচনা প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানত ভাগ ল'ব বিশিষ্ট সুৰকাৰ, কণ্ঠশিল্পী, সংগীত পৰিচালক জে পি দাস, লেখক, কবি, সাংস্কৃতিক সমালোচক সমুদ্ৰ কাজল শইকীয়া আৰু আকাশবাণীৰ ঘোষক, গায়ক তথা ভইচ ক্ৰাফ্‌টৰ প্ৰতিষ্ঠাপক ভাস্কৰজ্যোতি আচাৰ্যই। অনুষ্ঠানটিৰ আঁত ধৰিব পৰিস্মিতা দিহিঙীয়া আৰু জিণ্টী ৰাণী ডেকাই।

০০০০

চলিত বৰ্ষৰ তৃতীয়খন ৰাষ্ট্ৰীয় লোক আদালত আজি দেশজুৰি অনুষ্ঠিত হয়। লোক আদালতৰ জৰিয়তে দেৱানী, আপোচবিহীন ফৌজদাৰী, চেক বাউন্স, বৈবাহিক-পাৰিবাৰিক বিবাদ, মটৰ দুৰ্ঘটনাৰ ক্ষতিপূৰণ, বেংকৰ ঋণ আৰু বিদ্যুৎ সম্পৰ্কীয় গোচৰৰ লগতে প্ৰাক আদালত পৰ্যায়ত বিবাদ নিষ্পত্তি কৰা হয়। ইয়াৰ অংশ হিচাপে দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ফেকামাৰীস্থিত জিলা আদালতৰ চৌহদত ৰাষ্ট্ৰীয় লোক আদালতৰ আয়োজন কৰা হয়। দক্ষিণ শালমাৰা মানকাচৰৰ জিলা আইন সেৱা প্ৰাধিকাৰীৰ সচিব তানভিৰ ইক্ৰাম হাজৰিকাই প্ৰকাশ কৰা মতে, লোক আদালতৰ জৰিয়তে বিভিন্ন শ্ৰেণীৰ প্ৰাক মোকৰ্দমা পৰ্যায়ৰ ২৯৭ টা গোচৰৰ ২৯ টা আৰু বিচৰাধীন ২৯৭ টা গোচৰৰ ১৯৯ টা নিস্পত্তি কৰা হয়। বেংক ৰিক'ভাৰী গোচৰৰ এহেজাৰ ৬৩৮ টাৰ ভিতৰত ৯৭ টা নিস্পত্তি কৰা হয় আৰু এনে গোচৰৰ জৰিয়তে ১২ লাখ ৩২ হাজাৰ ৩১৮ টকা আদায় কৰা হয়। একেদৰে বিদ্যুৎ বিল সংক্ৰান্তীয় ১৪৮ টা গোচৰৰ ৯৬ টা নিস্পত্তি কৰা হয়।

কাছাৰ জিলাতো আজি লোক আদালতৰ জৰিয়তে বিচৰাধীন এহেজাৰ এশ ৭০ টা গোচৰৰ ভিতৰত ২৯২ টা গোচৰ নিস্পত্তি কৰা হয়।

পশ্চিম কাৰ্বি আংলং জিলা সত্ৰ ন্যায়াধীশৰ কাৰ্যালয় প্ৰাংগণত আজি লোক আদালত অনুষ্ঠিত হয়। এই লোক আদালতত যান-বাহন, বিদ্যুত বিল, অপৰাধযুক্ত গোচৰ আৰু দেৱানি গোচৰৰ সৈতে সৰ্বমুঠ দুই হাজাৰ ৪টা গোচৰ উত্থাপন কৰা হয়। ইয়াৰে ভিতৰত ৩৬৮ টা গোচৰ নিষ্পত্তি কৰাৰ লগতে ৪৪ লাখ ২৪ হাজাৰ ৯৭৮ টকা মূল্য জৰিমনাৰে গোচৰ মিমাংসা কৰা হয়।

০০০০

ভাৰত কাইলৈ মহিলাৰ জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাৰ ফাইনেলত চীনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতে আজি চীনৰ মকিত অনুষ্ঠিত প্ৰতিযোগিতাৰ প্ৰথমখন ছেমিফাইনেলত দক্ষিণ কোৰিয়াক ৫-১ গলত পৰাস্ত কৰে। ভাৰতৰ হৈ চুপ্ৰিয়াই ৩ টা গল দিয়ে। মধু আৰু সুখবীৰ কৌৰে এটাকৈ গল দিয়ে। চীনে হুলুনবুইৰত অনুষ্ঠিত দ্বিতীয়খন ছেমিফাইনেলত ৬-০ গলত জাপানক পৰাভূত কৰি ফাইনেলত স্থান নিশ্চিত কৰে।

০০০০

গোলাঘাটৰ বিশিষ্ট শিক্ষাবিদ দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ ৰীণা বৰদলৈৰ আজি পুৱা এখন ব্যক্তিগত চিকিৎসালয়ত শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৮ বছৰ। দেৱৰাজ ৰয় মহাবিদ্যালয়ত প্ৰাণী বিজ্ঞান বিভাগৰ অধ্যাপিকা হিচাপে কৰ্মজীৱনৰ পাতনি মেলি বিভাগীয় মুৰববী আৰু উপাধ্যক্ষ হিচাপে তেওঁ অৱসৰ গ্ৰহণ কৰিছিল। তেঁওৰ মৃত্যুত গোলাঘাটৰ শৈক্ষিক জগতৰ লগতে সামাজিক ক্ষেত্ৰতো শোকৰ ছাঁ পৰিছে।

০০০০

সমাপ্ত